**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-04-2025 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা অনুষ্ঠানত ২০২৪ বৰ্ষৰ ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক সন্মানসমূহ প্ৰদান কৰে। অৱসৰপ্ৰাপ্ত সেনা বিষয়া লেফটেনেণ্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতালৈ অসম বৈভৱ সন্মান আগবঢ়োৱা হয়। সংগীত শিল্পী দ্বীপেন বৰুৱা, নাট্যকাৰ হেমন্ত দত্ত, ক্ৰিকেটাৰ উমা চেত্ৰী আৰু টাটা কনছালটেন্সি ছাৰ্ভিচেছৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ডº এছ্‌ ৰামডুৰাই, ৰাষ্ট্ৰীয় ফৰেনছিক বিজ্ঞান বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ডº বাপ্পী পাল আৰু বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপিকা ডº পূৰৱী শইকীয়াক অসম সৌৰভ সন্মান প্ৰদান কৰা হয়। একেদৰে, শগুণৰ সংৰক্ষণৰ বাবে নিৰৱচ্ছিন্নভাৱে কাম কৰি থকা ফুলেশ্বৰী দত্ত আৰু বাইক ৰাইডাৰ মিনাক্ষী দাসকে ধৰি বিভিন্ন ক্ষেত্ৰত সমাজ জীৱনলৈ বিশেষ বৰঙণি আগবঢ়োৱা ১২ গৰাকী ব্যক্তিৰ লগতে আন তিনিটা প্ৰতিষ্ঠান কলিয়াবৰৰ চোৰেং এহেম, তিনিচুকীয়াৰ ইকো-ডেভেলপ ছ'চাইটী আৰু নগাঁৱৰ হাতীবন্ধুলৈ আজি অসম গৌৰৱ সন্মান আগবঢ়োৱা হয়।

০০০০০০

অসমত অহা ২ আৰু ৭ মে'ত দুটা পৰ্যায়ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে আজি মনোনয়ন দাখিল প্ৰক্ৰিয়া আৰম্ভ হৈছে। ১১ এপ্ৰিললৈ মনোনয়ন পত্ৰ দাখিল কৰিব পৰা যাব। ১২ এপ্ৰিলত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ১৭ এপ্ৰিল মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। সেইদিনাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া প্ৰাৰ্থীসকলৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। ১১ মে'ত নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

উল্লেখযোগ্য যে প্ৰথম পৰ্যায়ত অহা ২ মে'ত উজনি অসম আৰু বৰাক উপত্যকাত ভোটগ্ৰহণ কৰা হ'ব। দ্বিতীয় পৰ্যায়ত অহা ৭ মে'ত নামনি অসম আৰু মধ্য অসমত পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণ হ'ব। পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে নিৰ্বাচন হ'বলগীয়া অঞ্চলসমূহত নিৰ্বাচনী আৰ্হি আচৰণ বিধি বলৱৎ হৈছে।

ৰাজ্যিক নিৰ্বাচন আয়োগৰ অধিসূচনা অনুসৰি যোৰহাট জিলাৰ ১৬টা সমষ্টিত অহা ২ মে'ত ভোটগ্ৰহণ হ'ব। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। নিৰ্বাচনৰ মনোনয়ন প্ৰ-পত্ৰসমূহ সংশ্লিষ্ট খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়, সমজিলা আয়ুক্তৰ কাৰ্যালয় আৰু জিলা আয়ুক্তৰ কাৰ্যালয়ত উপলভ্য কৰা হৈছে। আয়ুক্ত জয় শিৱানীয়ে জিলাখনত নিৰ্বাচন সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে সকলো ৰাজনৈতিক দল, অনুষ্ঠান-প্ৰতিষ্ঠান তথা ৰাইজৰ সহযোগিতা কামনা কৰে। শিৱসাগৰ জিলাতো নিৰ্বাচন সন্দৰ্ভত জিলা আয়ুক্তই আজি এখন সংবাদমেল অনুষ্ঠিত কৰে। সংবাদমেলত আয়ুক্তগৰাকীয়ে জিলাখনৰ ৫টা আঞ্চলিক পঞ্চায়ত, ১২ খন জিলা পৰিষদ ৮২টা গাঁও পঞ্চায়তৰ তথ্য সদৰি কৰে। ধুবুৰী জিলাৰ আয়ুক্ত দিবাকৰ নাথে আজি পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত সংবাদমেল আয়োজন কৰি জিলাখনৰ মুঠ ১২৮ খন গাঁও পঞ্চায়তৰ লগতে ২০ খন জিলা পৰিষদ আৰু ১০ খন আঞ্চলিক গাঁও পঞ্চায়তত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি প্ৰকাশ কৰে। এহেজাৰ ৪৬৫টা ভোটকেন্দ্ৰত ভোটগ্ৰহণ হ'বলগীয়া জিলাখনত মুঠ ভোটাৰৰ সংখ্যা ১০ লাখ ৪৩ হাজাৰ ১৯৩ জন বুলি তেওঁ জানিবলৈ দিয়ে। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ আগ্ৰহী প্ৰাৰ্থীয়ে ধুবুৰী গ্ৰাম্য উন্নয়ন আঁচনিৰ কাৰ্যালয়ত

০০০০০০

ৰাজ্যৰ স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ নিযুক্তি পৰীক্ষাৰ ফলাফল অহা মাহত ঘোষণা কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে। কালি কাহিলিপাৰাৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ত মেধাৱী শিক্ষাৰ্থীক টেবলেট বিতৰণ অনুষ্ঠানত অংশ লৈ শিক্ষামন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। আৰোহণ আঁচনিৰ অধীনত শিক্ষাৰ্থীসকলক শৈক্ষিক কাম-কাজত সহায় কৰাৰ বাবে কালি টেবলেটসমূহ বিতৰণ কৰা হয়। এম ডি এম ছফ্‌টৱেৰৰ যোগেদি নিয়ন্ত্ৰিত হ'বলগীয়া এই টেবলেটসমূহত সামাজিক মাধ্যমৰ এপসমূহ বন্ধ কৰি ৰখা হৈছে। কালিৰ এই অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ পেগুৱে ৰাজ্যৰ ২৫ হাজাৰ প্ৰাথমিক শিক্ষকৰ চাকৰি নিয়মীয়া কৰাৰ কথাও উল্লেখ কৰে।

০০০০০০০

গোলাঘাটৰ সমন্বয় ক্ষেত্ৰত কাইলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ একবিংশতিতম কেন্দ্ৰীয় দ্বিবাৰ্ষিক অধিৱেশন অনুষ্ঠিত হৈছে। কাইলৈ পুৱা মূল তোৰণ উন্মোচন, পতাকা উত্তোলন, ছহিদ তৰ্পণ, সতীৰ্থ স্মৰণ আদি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অধিৱেশনতে পৰিষদৰ নতুন কেন্দ্ৰীয় সমিতি গঠন কৰা হ'ব। অধিৱেশনৰ অংশ হিচাপে বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিৰ সমাহাৰেৰে শোভাযাত্ৰা উলিওৱা হ'ব।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ৫ এপ্ৰিল, শনিবাৰে নিশা ৮ বাজি দুই মিনিটত ইয়াৰ দৃষ্টিপাত অনুষ্ঠানত বিশিষ্ট সাংবাদিক, আছাম টক্‌ছ চেনেলৰ মুখ্য সম্পাদক প্ৰাণজিৎ শইকীয়াৰ সৈতে এটা অগতানুগতিক সাক্ষাৎকাৰ প্ৰচাৰ কৰিব। সাক্ষাৎ গ্ৰহণ আৰু অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ২০২৪-২৫ পৰ্যটন বৰ্ষৰ বিগত ছমাহত পূৰ্বৰ সকলো অভিলেখ ভংগ কৰি ৪ লাখৰো অধিক পৰ্যটকৰ আগমন হয়। ইয়াৰ ফলত উদ্যানখনত ১০ কোটি টকাতকৈ অধিক ৰাজহ সংগ্ৰহ হৈছে বুলি উদ্যান কৰ্তৃপক্ষই কালি এটা প্ৰেছ বিবৃতিযোগে প্ৰকাশ কৰে। বিবৃতিটোত উল্লেখ কৰা মতে যোৱা ছমাহত ১৭ হাজাৰ ৬৯৩ গৰাকী বিদেশী পৰ্যটকসহ মুঠ ৪ লাখ ছহেজাৰ ৫৬৪ গৰাকী পৰ্যটকৰ আগমন ঘটিছে। ইয়াৰ জৰিয়তে ১০ কোটি ৯০ লাখ ৮৯ হাজাৰ ৩৮৯ টকাৰ ৰাজহ সংগ্ৰহ কৰা হৈছে। এই সময়ছোৱাত ভূটানৰ ৰজা জিগমে খেছৰ নামগ্যাল ৱাংচুকৰ উপৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দৰ্শন কৰিছিল। তদুপৰি এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰ সহ বিভিন্ন দেশৰ ৬০ গৰাকী ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তই ৰাষ্ট্ৰীয় উদ্যানখন ভ্ৰমণ কৰিছিল। উল্লেখযোগ্য যে নিউয়ৰ্ক টাইমছৰ সমীক্ষাতো কাজিৰঙাই বিশ্বৰ অন্যতম দৰ্শনীয় পৰ্যটন স্থানৰ তালিকাত শীৰ্ষ স্থান দখল কৰিছিল। এনেবোৰ কাৰণতে উদ্যানখনলৈ বিগত ১০ বছৰত পৰ্যটকৰ সংখ্যা সামগ্ৰিকভাৱে ৪ গুণ বৃদ্ধি হোৱাৰ উপৰি বিদেশী পৰ্যটক ৪ দশমিক ৫ শতাংশলৈ বৃদ্ধি হৈছে বুলি বিবৃতিটোত প্ৰকাশ কৰা হৈছে।

০০০০০০০

**সমাপ্ত**